# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-01-2025

**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

○○○○○○○

গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা সন্দৰ্ভত ৰায় স্থগিত ৰখা ৫ খন জিলাতো এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি এটা গুৰুত্বপূৰ্ণ ৰায়যোগে ৰাজ্যখনৰ এই ৫ খন জিলাত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়ে। খণ্ড বিচাৰপীঠে পূৰ্বৰ এজনীয়া বিচাৰপীঠৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত সকলো পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাট মুকলি হৈ পৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ৯ খন লেখ আবেদনৰ গোচৰ থকা পঞ্চায়তসমূহত নিৰ্বাচন অনুষ্ঠিত কৰাত স্থগিতাদেশ জাৰি কৰি বাকী পঞ্চায়তসমূহত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰক অনুমতি দিছে। পাছত এই স্থগিতাদেশক প্ৰত্যাহ্বান জনাই ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠত এখন আবেদন দাখিল কৰে। চৰকাৰৰ এই আবেদনৰ শুনানী লৈ আজি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এজনীয়া বিচাৰপীঠৰ নিৰ্দেশনাত স্থগিতাদেশ জাৰি কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১২ জানুৱাৰীত ৰাজ্যৰ ৫ খন জিলাৰ বিবদমান ৯ খন পঞ্চায়ত বাদ দি বাকী পঞ্চায়তসমূহত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ৰায় দিছিল। ইয়াৰ পূৰ্বে ১০ জানুৱাৰীত বিষয়টো সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হৈছিল যদিও ন্যায়ালয় ৰায়দানৰ পৰা বিৰত আছিল।

ন্যায়ালয়ে অহা ৬ ফেব্ৰুৱাৰীত গোচৰসমূহৰ পৰৱৰ্তী শুনানীৰ দিন ধাৰ্য কৰিছে। গোচৰীয়া পক্ষৰ অধিবক্তা এ কে তালুকদাৰে সংবাদমাধ্যমৰ আগত জনোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'লেও ইতিমধ্যে নিৰ্বাচনক লৈ ৰুজু হোৱা গোচৰসমূহৰ শুনানী উচ্চ ন্যায়ালয়ৰ মজিয়াত চলি থাকিব।

○○○○○○○

জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহৰ বাবে অসমত বিনিয়োগৰ সুচল পৰিবেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনা কালত ভাৰত আৰু জাপানৰ মূল্যবোধ, ৰীতি-নীতি আৰু গৌতম বুদ্ধৰ আদৰ্শৰাজিয়ে কিদৰে দুয়ো দেশৰ মাজত আধ্যাত্মিক সেতু গঢ়ি তুলিছে সেই বিষয়সমূহে স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে আজি দেশখনৰ ভূমি, আন্তঃগাঁথনি, পৰিবহন আৰু পৰ্যটন বিভাগৰ ৰাজ্যমন্ত্ৰী ফুৰুকাৱা য়াছুছিৰ সৈতেও বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমত পৰ্যটনৰ সম্ভাৱনা

আৰু বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামে স্বীকৃতি লাভ কৰাকে ধৰি কেইবাটাও বিষয় লৈ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে আজি হিৰোছিমাত জাতিৰ পিতা মহাত্মা গান্ধীৰ আৱক্ষ প্ৰতিমূৰ্তিত শ্ৰদ্ধা তৰ্পন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ চনত এই প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰিছিল।

উল্লেখযোগ্য যে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে টকিঅ'ত জাপানৰ কমেও ১৬০ গৰাকী বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ কৰি বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। সাক্ষাৎকালত অসমৰ অৰ্থনৈতিক সাফল্য আৰু ব্যৱসায়িক সুচলতাৰ বিষয়ে উল্লেখ কৰি ডং শৰ্মাই ভাৰত আৰু জাপানৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অসমৰ ক্ৰমবৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰে। ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে দক্ষিণ আফ্ৰিকাও ভ্ৰমণ কৰি দেশখনৰ কেইবাগৰাকীও শীৰ্ষ নেতাক সাক্ষাৎ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগ আৰু ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৯ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ কোচবিহাৰৰ মধুপুৰ সত্ৰত মধুপুৰ উৎসৱ আৰু নিৰ্মালী প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই উপলক্ষে প্ৰাৰম্ভিক ব্যৱস্থাপনা আৰু মধুপুৰ সত্ৰ তথা বৈকুণ্ঠপুৰ সত্ৰৰ সামগ্ৰিক পৰিৱেশৰ বুজ ল'বলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস কালি কোচবিহাৰত উপস্থিত হয়। মধুপুৰ উৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এই অনুষ্ঠানতে মালা নিৰ্মালী প্ৰদান কৰি সত্ৰখনৰ ডেকা সত্ৰীয়া আৰু বুঢ়া সত্ৰীয়াক পদত অধিষ্ঠিত কৰা হ'ব। পৰিদৰ্শনকালত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয়, যে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক সাহিত্য, ভাষা, কৃষ্টি-সংস্কৃতিকে ধৰি সকলো সম্পদ প্ৰদান কৰি গৈছে। মধুপুৰ উৎসৱত ৰাজ্যৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰো উপস্থিত থাকিব বুলি মন্ত্ৰী শ্ৰীদাসে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে মধুপুৰ সত্ৰক ধৰ্মীয় পৰ্যটনৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে সত্ৰখন দৰ্শনৰ বাবে অহা বাহিৰৰ পৰ্যটকে বুজিব পৰাকৈ জিলা প্ৰশাসনৰ উদ্যোগত হিন্দী, বাংলা আৰু ইংৰাজী ভাষাৰ এখন পুস্তিকা প্ৰকাশ কৰা হ'ব। শ্ৰীশ্ৰীদামোদৰ দেৱৰ মহাপ্ৰয়াণৰ স্থান কোচবিহাৰৰ বৈকুণ্ঠপুৰ সত্ৰ দৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে সত্ৰখনৰ সামগ্ৰিক পৰিৱেশৰ বুজ লয়। গুৰুজনাৰ মহাপ্ৰয়াণৰ এই পবিত্ৰ স্থানক যুগমীয়া কৰি তোলাৰ লগতে পৰ্যটনস্থলী হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**